# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে আজি প্ৰথমলানি আলোচনাত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশগৰাকীৰ নেতৃত্বৰ সমিতিয়ে দিয়া পৰামৰ্শৱলী গ্ৰহণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। এই প্ৰতিবেদনত ৪০ টা পৰামৰ্শ ৰাজ্য চৰকাৰৰ অধীনত আছে আৰু ইয়াৰ ৰূপায়ণৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে, ১২ টা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ প্ৰচেষ্টাৰে ৰূপায়ণ কৰা হ'ব। বাকী থকা ১৫ টা সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থাকিব বুলি তেঁও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কাৰ মতে, সমিতিৰ পৰামৰ্শসমূহ সম্পূৰ্ণৰূপে ৰূপায়ণৰ বাবে কোনো কোনো ক্ষেত্ৰত সাংবিধানিক আৰু সংসদীয় ক্ষেত্ৰত সংস্কাৰ সাধনৰ প্ৰয়োজন হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত গঠিত এই সমিতিৰ পৰামৰ্শসমূহ ৰূপায়ণক লৈ মন্তব্য কৰি বৰাক উপত্যকাৰ জিলাকেইখন আৰু স্বায়ত্বশাসিত জিলাকেইখনৰ বাহিৰে অন্য জিলা বিশেষ নামনি অসমত এই পৰামৰ্শৱলী ৰূপায়ণত কোনো সমস্যা নহ'ব বুলি মত প্ৰকাশ কৰিছিল। অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰা হ'ব বুলি তেওঁ উল্লেখ কৰিছিল। উল্লেখযোগ্য যে অসম চুক্তিৰ ৬ নম্বৰ দফাত অসমৰ খিলঞ্জীয়া লোকৰ সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনীয় অধিকাৰ ৰক্ষাৰ লগতে সামাজিক, সাংস্কৃতিক আৰু ভাষিক অধিকাৰৰ সুৰক্ষাৰ প্ৰসংগ উল্লেখ কৰা হৈছিল। উল্লেখযোগ্য যে আজিৰ বৈঠকত অসম চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে মুখ্য সচিব, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত ৩ জনীয়া প্ৰতিনিধি দল তথা সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

০০০

ৰাজ্যখনৰ অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ইচ্ছুক যুৱক-যুৱতীসকলক জলপানি প্ৰদানৰ বাবে অসমৰ ৰাজভৱনৰ তৰফৰ পৰা ৰাজ্যপালৰ **অসমৰ প্ৰতিভা উদগণিমূলক আঁচনি ২০২৪-২৫** ৰ অধীনত আবেদন প্ৰপত্ৰ আহ্বান কৰা হৈছে। ইয়াৰ দ্বাৰা যোগ্য প্ৰাৰ্থীসকলক বিত্তীয় সাহায্য আৰু গুণগত প্ৰশিক্ষণ প্ৰদান কৰি তেঁওলোকক অসামৰিক বিষয়া  হোৱাৰ বাবে যোগ্য কৰি তোলা হ'ব। প্ৰাৰ্থীসকলক gappy.assam.gov.in -ৰ জৰিয়তে অহা ৬ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ অনলাইনযোগে দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকললৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি সঠিকভাৱে তালাচী চলোৱা নহয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। প্ৰৱেশ পত্ৰ, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰি জাননীখনত পুনৰ কোৱা হৈছে পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। উল্লেখযোগ্য যে অহা ২৯ ছেপ্তেম্বৰৰ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয়বৰ্গৰ আৰু দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মেট্ৰিক পৰ্যায়ৰ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তথ্য অনুসৰি তৃতীয় বৰ্গৰ চাৰি হাজাৰ ৫৫টা পদৰ বাবে পাঁচ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী আৰু চালকৰ ৪১৮ টা পদৰ বাবে দুই লাখ চাৰি হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

ইফালে, যোৱা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ্থীসকলৰ প্ৰশ্ন সম্পৰ্কীয় অভিযোগৰ বাবে আয়োগে অনলাইন প'ৰ্টেল মুকলি কৰিছে। www.site.sebaonline.org আৰু WWW.ASSAM.GOV.IN শীৰ্ষক ৱেবছাইট দুটাৰ জৰিয়তে ২৮ ছেপ্তেম্বৰৰ দিনৰ চাৰে ১১ বজাৰ পৰা ১০ অক্টোবৰৰ ভিতৰত প্ৰাৰ্থীয়ে প্ৰতিটো প্ৰশ্নৰ বিপৰীতে ৫০০ টকা জমা দি প্ৰশ্ন সম্পৰ্কীয় কিবা অভিযোগ থাকিলে সেয়া দাখিল কৰিব পাৰিব। তদুপৰি একেদুটা ৱেবছাইটৰ জৰিয়তে ২৭ ছেপ্তেম্বৰৰ দিনৰ চাৰে ১১ বজাৰ পৰা ১৫ অক্টোবৰৰ ভিতৰত ৫০ টকা আদায় দি নিজৰ OMR ছীটৰ **ছফট কপি** ডাউনলোড কৰিব পাৰিব।

০০০

শ্ৰম মন্ত্ৰালয়ে জাৰি কৰা বাৰ্ষিক পৰ্যাবৃত্ত শ্ৰম শক্তি জৰীপ অনুসৰি যোৱা বছৰ দেশত কৰ্মসংস্থাপনহীনতাৰ হাৰ চকুত লগা ধৰণে হ্ৰাস পাইছে। এই ক্ষেত্ৰত হাৰিয়ানাৰ দৰে ৰাজ্যসমূহে গুৰুত্বপূৰ্ণ প্ৰগতি লাভ কৰিছে। প্ৰতিবেদন অনুসৰি ২০২৩-২৪ বৰ্ষৰ কৰ্মসংস্থাপনহীনতাৰ ৰাষ্ট্ৰীয় গড় হাৰ ৩ দশমিক ২ শতাংশ আছিল। এই হাৰ ২০২২-২৩ বৰ্ষৰ তুলনাত ৫ দশমিক এক শতাংশ হ্ৰাস পাইছে। হাৰিয়ানা, তামিলনাডু, চত্তিশগড় আৰু মধ্যপ্ৰদেশত কৰ্মসংস্থাপনহীনতাৰ হাৰ সৰ্বাধিক হ্ৰাস পাইছে। কৰ্মসংস্থাপনহীনতাৰ হাৰ সামগ্ৰিকভাৱে হ্ৰাস পোৱা সত্তেও একাংশ ৰাজ্যত এইহাৰ এতিয়াও অধিক হৈ আছে। এই ক্ষেত্ৰত ৮ দশমিক ২ শতাংশ হাৰেৰে গোৱা সবাতকৈ শীৰ্ষত আছে। ইয়াৰ পাছত কেৰালা আৰু নাগালেণ্ড ক্ৰমে ৭ দশমিক ২ শতাংশ আৰু ৭ দশমিক ১ শতাংশ হাৰেৰে দ্বিতীয় আৰু তৃতীয় স্থানত আছে। কেন্দ্ৰীয় শাসিত অঞ্চল লাক্ষাদ্বীপত কৰ্মসংস্থাপনহীনতাৰ হাৰ অধিক। লাক্ষাদ্বীপত এই হাৰ ১১ দশমিক ৯ শতাংশ হৈছে।

০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ পাটকিজুলিত আজি ৩১ সংখ্যক বড়োলেণ্ড শ্বহিদ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। স্থানীয় মাইনাও ক্লাৱ ফুটবল ষ্টেডিয়ামত অনুষ্ঠিত এই প্ৰতিযোগিতা আজি বিটিআৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দাউবৈচা বড়োৱে উদ্বোধন কৰে। উদ্বোধনী খেলত শালবাৰী ইউনাইটেড ফুটবল ক্লাৱে - কলবাৰী জাংগিলা ফুটবল ক্লাৱক ২-০ গলত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে।